**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-JAN-2026
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১। জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ ন্যায়িক প্ৰক্ৰিয়াৰ বাবে বিশেষ চৰকাৰী অধিবক্তাৰ দল নিযুক্তিকে ধৰি কেইবাটাও বিষয়ত মন্ত্ৰীসভাৰ সিদ্ধান্ত।

২। বিধানসভা নিৰ্বাচনৰ পূৰ্বেই ছটা জনগোষ্ঠীৰ জনজাতিকৰণৰ প্ৰতিবেদন কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ।

৩। বিজনীৰ থেংফাখ্ৰী ফৌথাৰত অনুষ্ঠিত বড়ো সাহিত্য সভাৰ কেন্দ্ৰীয় অধিৱেশনৰ আজি দ্বিতীয় দিন।

৪। মাঘ বিহুৰ উৰুকালৈ মাজত মাথোঁ দুটা দিন বাকী থকা অৱস্থাত ৰাজ্যজুৰি ব্যাপক প্ৰস্তুতি। **আৰু**

৫। কুৱালালামপুৰত অনুষ্ঠিত মালয়েছিয়া অপেন বেডমিণ্টন প্ৰতিযোগিতাৰ ছেমি ফাইনেলত পি ভি সিন্ধু চীনৰ প্ৰতিদ্বন্দ্বীৰ বিৰুদ্ধে অৱতীৰ্ণ।

oooooo

অসম মন্ত্ৰীসভাই জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ ন্যায়িক প্ৰক্ৰিয়া সবল কৰাৰ বাবে বিশেষ চৰকাৰী অধিবক্তাৰ পাঁচজনীয়া এটা দল নিযুক্তিত অনুমোদন জনাইছে। দিছপুৰৰ লোকসেৱা ভৱনত কালি অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকৰ পাছত এখন সংবাদমেলত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে এই অধিবক্তাৰ দলটোৱে জুবিন গাৰ্গৰ ন্যায়ৰ বাবে আদালতত যুঁজ দিব। মন্ত্ৰীসভাই লগতে অসমবাসীৰ প্ৰাণৰ শিল্পীগৰাকীৰ স্মৃতি সংৰক্ষণৰ বাবে পৰিয়াল আৰু শুভাকাংক্ষীয়ে গঠন কৰা জুবিন গাৰ্গ ন্যাসলৈ ৰাজ্য চৰকাৰৰ তৰফৰ পৰা ৫ কোটি টকাৰ বৰঙণি আগবঢ়োৱাত অনুমোদন জনায়।

**ৰাইট (চি এম)**

মুখ্যমন্ত্ৰীগৰাকীয়ে সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰাক মুহূৰ্তত বিজেপি মিত্ৰজোঁট চৰকাৰে ৰাজ্যৰ চাহ জনগোষ্ঠীয় লোকসকলৰ বাবে 'এটি কলি, দুটি পাত' নামৰ বিশেষ আঁচনি গ্ৰহণ কৰাৰ কথা প্ৰকাশ কৰে। তেওঁ কয়, যে অসমৰ চাহ উদ্যোগৰ ২০০ বছৰ পূৰ্ণ হোৱাৰ প্ৰতি লক্ষ্য ৰাখি গ্ৰহণ কৰা এই আঁচনিৰ অধীনত চাহ শ্ৰমিকসকলক ৫ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব। অহা ২৫ জানুৱাৰীত ডুমডুমাত এই আঁচনিৰ শুভাৰম্ভ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। মন্ত্ৰীসভাই বড়ো সাহিত্য সভাক এটা বহুমুখী প্ৰকল্প নিৰ্মাণৰ বাবে গুৱাহাটীৰ বেতকুছিত এবিঘা ভূমি আবণ্টনত অনুমোদন জনায়। তদুপৰি মৰিগাঁও, ডিব্ৰুগড় আৰু কাছাৰকে ধৰি কেইবাখনো জিলাত মিছন বসুন্ধৰাৰ তৃতীয় পৰ্যায়ৰ অধীনত বহু পৰিমাণৰ ভূমিত আবণ্টন জনোৱা হয়। ডঃ শৰ্মাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সমাগত অসম ভ্ৰমণ সন্দৰ্ভত মন্ত্ৰীসভাত বিস্তৃতভাৱে আলোচনা হোৱাৰ কথা উল্লেখ কৰি কয়, যে ১৭ জানুৱাৰীৰ বিয়লি প্ৰধানমন্ত্ৰীয়েপ্ৰায় ১০ হাজাৰ শিল্পীয়ে পৰিৱেশন কৰিবলগীয়া বাগৰুম্বা নৃত্য উপভোগ কৰিব। ১৮ জানুৱাৰীত তেওঁ কলিয়াবৰৰ মৌচন্দা পথাৰত এখন ৰাজহুৱা সভাত অংশ ল'ব আৰু এই সভাতে কলিয়াবৰৰ পৰা বোকাখাতলৈ ছহেজাৰ ৯৫৭ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া কাজিৰঙা এলিভেটেড কৰিড'ৰৰ আধাৰশিলা স্থাপন কৰিব। প্ৰধানমন্ত্ৰী মোদীয়ে এই ভ্ৰমণৰ সময়তে ডিব্ৰুগড়ৰ পৰা লক্ষ্ণৌৰ গোমটিলৈ আৰু গুৱাহাটীৰ পৰা নতুন দিল্লীৰ ৰাউটালৈ চলিবলগীয়া দুখন ৰে'লগাড়ীৰ যাত্ৰাৰ শুভাৰম্ভ কৰিব বুলি মুখ্যমন্ত্ৰী ডঃ শৰ্মাই জানিবলৈ দিয়ে।

oooooo

ৰাজ্য চৰকাৰে বিধানসভা নিৰ্বাচনৰ পূৰ্বেই ছটা জনগোষ্ঠীৰ জনজাতিকৰণৰ প্ৰতিবেদন দিল্লীলৈ প্ৰেৰণ কৰিব। ভৈয়াম জনজাতিৰ কল্যাণ বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সাংবাদিকৰ আগত কালি এই কথা প্ৰকাশ কৰি কয়, যে এই প্ৰতিবেদনৰ কোনো সংশোধন নহয়। ইয়াৰ পৰিৱৰ্তে প্ৰতিবেদনখনত থকা দুই-এটা আসোঁৱাহ শুদ্ধ কৰি আৰু কেন্দ্ৰীয় চৰকাৰে বিচৰা তিনিটা বিষয় স্পষ্ট কৰি প্ৰতিবেদনখন প্ৰেৰণ কৰা হ'ব। ডাঃ পেগুৱে কয়, যে বৰ্তমানৰ জনজাতিসকলৰ ক্ষতি নোহোৱাকৈ ছটা জনগোষ্ঠীক কিদৰে জনজাতিকৰণ কৰা হ'ব, সংৰক্ষণৰ ব্যৱস্থা কেনেকুৱা হ'ব আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ তালিকাৰ পৰা ছটা জনগোষ্ঠী ওলাই যোৱাৰ পাছত বাকী থকা জনগোষ্ঠীসমূহৰ সংৰক্ষণ কিমান শতাংশ হ'ব, সেই বিষয়ত কেন্দ্ৰীয় চৰকাৰে স্পষ্টতা বিচাৰিছে। প্ৰতিবেদনখনত মটক জনগোষ্ঠী সন্দৰ্ভত থকা এটা তথ্যগত ভুল শুধৰণিৰ বাবে আবেদন জনোৱা হৈছিল আৰু সম্প্ৰতি ইয়াৰ শুধৰণি কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

বাইট

০০০০০০

অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষা- এ ডি আৰ ইত উত্তীৰ্ণ ৬ হাজাৰ ৩৪৭ গৰাকী তৃতীয় বৰ্গৰ প্ৰাৰ্থীক আজি সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব। একেদৰে ১২ জানুৱাৰীত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় প্ৰেক্ষাগৃহত আয়োজিত এটা অনুষ্ঠানত এ ডি আৰ ইত উত্তীৰ্ণ ২৯২ গৰাকী চাহ জনগোষ্ঠীৰ প্ৰাৰ্থীৰ মাজত নিযুক্তি পত্ৰ বিতৰণ কৰা হ'ব। এই নিযুক্তি সম্পন্ন হ'লে নতুনকৈ নিযুক্তি লাভ কৰা প্ৰাৰ্থীৰ সংখ্যা ১ লাখ ৫৬ হাজাৰ ৬৭৭ লৈ বৃদ্ধি পাব।

ইপিনে এ ডি আৰ ইত উত্তীৰ্ণ ৪ হাজাৰ ৩৭৪ গৰাকী চতুৰ্থ বৰ্গৰ প্ৰাৰ্থীৰ মাজত কালি নিযুক্তি পত্ৰ বিতৰণ কৰা হয়। গুৱাহাটীৰ খানাপাৰাৰ নৱনিৰ্মিত জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, ৰাজ্য চৰকাৰৰ সাধাৰণ প্ৰশাসন বিভাগৰ আয়ুক্ত সচিব এম এছ্ মণিৱন্নন, মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, ৰঞ্জিত কুমাৰ দাসকে ধৰি কেইবাগৰাকী মন্ত্ৰী উপস্থিত থাকে।

০০০০০০

চিৰাং জিলাৰ বিজনীৰ বৰলাউগাঁৱৰ থেংফাখ্ৰী ফৌথাৰত তিনিদিনীয়াকৈ অনুষ্ঠিত বড়ো সাহিত্য সভাৰ ৬৫ সংখ্যক কেন্দ্ৰীয় অধিৱেশনৰ আজি দ্বিতীয় দিন। পুৱাৰ ভাগত পতাকা উত্তোলনেৰে আৰম্ভ হোৱা আজিৰ দিনটোৰ কাৰ্যসূচী সন্দৰ্ভত আমাক সবিশেষ জনাইছে আমাৰ চিৰাঙৰ সংবাদদাতা কুঞ্জ মোহন ৰায়ে-

-ভইচকাষ্ট-

আমাৰ আগৰ বাতৰিটে কোৱা হৈছে যে কালিৰে পৰা অনুষ্ঠিত হোৱা বড়ো সাহিত্য সভাৰ ৬৫ সংখ্যক কেন্দ্ৰীয় অধিৱেশনৰ প্ৰথম দিনা বিটিচিৰ কাৰ্যবাহী সদস্য তথা অধিৱেশনৰ অভ্যৰ্থনা সমিতিৰ কাৰ্যকৰী সভাপতি ধীৰাজ বৰগয়াৰীয়ে ড° মনেশ্বৰ ব্ৰহ্ম সোঁৱৰণী মুখ্য প্ৰৱেশদ্বাৰ মুকলি কৰে। ইয়াৰ পাছতে পদ্মলোচন বড়ো সোঁৱৰণী মুখ্য তোৰণ, প্ৰতিনিধি শিবিৰ আৰু স্বেচ্ছাসেৱক শিবিৰসমূহ মুকলি কৰে। দিনৰ ভাৱত এখন আলোচনাচক্ৰ আৰু বিয়লি কবি সন্মিলন অনুষ্ঠিত হয়। কাইলৈৰ সামৰণি অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থকাৰ কথা।

০০০০০০

মাঘ বিহুৰ উৰুকালৈ মাজত মাথোঁ দুটা দিন বাকী থকা অৱস্থাত ৰাজ্যৰ বিভিন্ন অংশত ব্যাপক প্ৰস্তুতি চলি আছে। জীয়ৰী-বোৱাৰীয়ে ভোগালীত অতিথি আপ্যায়নৰ বাবে পিঠা-পনা প্ৰস্তুত কৰাত ব্যস্ত হৈ পৰাৰ লগতে ডেকা-বুঢ়াকে ধৰি শিশুসকলেও বিভিন্ন আৰ্হিৰে আটকধুনীয়া মেজি আৰু ভেলাঘৰ নিৰ্মাণ কৰা পৰিলক্ষিত হৈছে। প্ৰায়বোৰ ঠাইতে ভোগালী মেলাৰো আয়োজন কৰা হৈছে। খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত আজিৰেপৰা ১২ জানুৱাৰীলৈ ভোগালী মেলাৰ আয়োজন কৰা হৈছে। এই মেলাত কৃষকসকলে জৈৱিকভাৱে উৎপাদন কৰা সামগ্ৰীৰ

প্ৰদৰ্শন আৰু বিক্ৰীৰ ব্যৱস্থা কৰা হৈছে। অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান আৰু গ্ৰামোন্নয়ন আৰু পঞ্চায়ত বিভাগৰ উদ্যোগত **ধুবুৰী**ৰ ৰজা প্ৰভাত চন্দ্ৰ বৰুৱা খেল পথাৰত যোৱা বৃহস্পতিবাৰৰ পৰা অসমী ভোগালী মেলা অনুষ্ঠিত হৈছে। এই মেলাত আত্ম সহায়ক গোটৰ মহিলাসকলে প্ৰস্তুত কৰা খাদ্য সামগ্ৰীৰ লগতে হস্তশিল্প আৰু টেৰাকোটাৰ সামগ্ৰীৰ প্ৰদৰ্শনী আৰু বিক্ৰী কৰা হৈছে। ভোগালী মেলাৰ সৈতে সংগতি ৰাখি সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হৈছে।

মাজুলীৰ টুনী নদীৰ পাৰত অনুষ্ঠিত অসমী ভোগালী মেলাৰ কাইলৈ সামৰণি পৰিব।

দক্ষিণ শালমাৰা জিলাৰ হাটশিঙিমাৰিত অনুষ্ঠিত ভোগালী মেলাত জিলাখনৰ মুঠ ৪০ টা আত্মসহায়ক গোটে অংশগ্ৰহণ কৰিছে।

হোজাইৰ কাকীতো কালিৰে পৰা ৩ দিনীয়াকৈ ভোগালী মেলা অনুষ্ঠিত হৈছে। লামডিং সমষ্টিৰ বিধায়ক শিবু মিশ্ৰই মেলাৰ উদ্বোধন কৰে।

মৰিগাওঁ জিলাৰ মৰিগাওঁ সদৰ বিহুতলীত কালি জিলা আয়ুক্তই ভোগালী মেলা উদ্বোধন কৰে। মেলা উদ্বোধন কৰি দিয়া ভাষণত জিলা আয়ুক্তগৰাকীয়ে মহিলাসকলে প্ৰস্তুত কৰা সামগ্ৰীসমূহক লৈ সন্তুষ্টি প্ৰকাশ কৰে।

০০০০০০

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃৰাষ্ট্ৰীয় সাহিত্য মহোৎসৱৰ তৃতীয় সংস্কৰণ অহা ১৮ৰ পৰা ২১ ফেব্ৰুৱাৰীলৈকে অনুষ্ঠিত হ'ব। বিশ্বৰ ২৫ খন দেশৰ ১৫০ জনতকৈও অধিক জনপ্ৰিয় লেখক, কবি, চিন্তাবিদে এই মহোৎসৱত অংশগ্ৰহণ কৰিব। বিশ্ববিদ্যালয়খনৰ ফাউণ্ডেচন ফৰ কালচাৰ, আৰ্টছ্ এণ্ড লিটাৰেচাৰৰ সহযোগত হ'বলগীয়া এই মহোৎসৱত এন মৰ্গান, আব্দুৰহমান ৰাবেৰী, কিউং-ছুক শ্বিন, য়েছে দৰ্জি থংছি, গিডিয়ান হাইগ, মাই খালেদকে ধৰি বিশ্বৰ প্ৰখ্যাত সাহিত্যিকসকলে অংশগ্ৰহণ কৰিব। কবিতা, বিশ্বৰ কল্পকাহিনী, চলচ্চিত্ৰ আৰু ক্ৰীড়াক মূল বিষয়বস্তু হিচাপে লৈ এইবাৰৰ মহোৎসৱ অনুষ্ঠিত হ'ব। অনুষ্ঠানত মত বিনিময়, কৰ্মশালা আৰু বিভিন্ন সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত হ'ব বুলি বিশ্ববিদ্যালয় কৰ্তৃপক্ষই প্ৰকাশ কৰিছে।

০০০০০০

ডিব্ৰুগড় আৰক্ষীয়ে গোপন তথ্যৰ ভিত্তিত কালি নিশা জয়পুৰ আৰক্ষী থানাৰ অন্তৰ্গত টিপাম ফাঁকিয়াল নেপালী গাঁৱত অভিযান চলাই এজন মাদক দ্ৰব্য সৰবৰাহকাৰীক আটক কৰে। আৰক্ষীয়ে সৰবৰাহকাৰীজনৰ পৰা ৫টা চাবোনৰ বাকচত ভৰাই অনা বুজন পৰিমাণৰ হেৰ'ইন জব্দ কৰে। ধৃত লোকজন চন্দন বৰা বুলি জানিব পৰা গৈছে। ডিব্ৰুগড় আৰক্ষী আৰু চি আৰ পি এফৰ যৌথ অভিযানত আটক কৰা যুৱকজনক আৰক্ষীয়ে মাদক দ্ৰব্য সৰবৰাহ সন্দৰ্ভত সোধা-পোছা অব্যাহত ৰাখিছে।

কাছাৰ আৰক্ষীয়ে মাদক দ্ৰব্য সৰবৰাহৰ অভিযোগত কালি তিনিজন সৰবৰাহকাৰীক আটক কৰাৰ লগতে তেওঁলোকৰ পৰা বুজন পৰিমাণৰ মাদক দ্ৰব্য জব্দ কৰে।

০০০০০০

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ দৃষ্টিপাতত আজি নিশা ৮ বাজি ২ মিনিটত 'মহিলা সৱলীকৰণৰ অৰ্থে গ্ৰহণ কৰা ৰাজ্য চৰকাৰৰ আঁচনিসমূহত আলোকপাত' শীৰ্ষক এটি বিশেষ অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানত ভাগ ল'ব ৰাজ্যিক বিজেপিৰ মুখপাত্ৰ কমল কুমাৰ মেধিয়ে। অনুষ্ঠানটিৰ আঁত ধৰিব জিণ্টী ৰাণী ডেকাই। অনুষ্ঠানৰ পৰিকল্পনা আৰু প্ৰযোজনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ আৰু প্ৰযোজনা সহযোগী পাৰবিন হুছেইন।

০০০০০০

ভাৰতৰ পি ভি সিন্ধু কুৱালালামপুৰত অনুষ্ঠিত মালয়েছিয়া অপেন ছুপাৰ-১০০০ বেডমিণ্টন প্ৰতিযোগিতাৰ ছেমি ফাইনেলত আজি চীনৰ ৱেং জি ইৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। কোৱাৰ্টাৰ ফাইনেলত জাপানৰ আকানে য়ামাগুচি

আঘাতৰ বাবে আধাতে খেল এৰাত দুবাৰকৈ অলিম্পিক পদক বিজেতা পি ভি সিন্ধুৱে ছেমি ফাইনেলত প্ৰৱেশ কৰে। সিন্ধুৱে আৰম্ভণিতে তিনিবাৰৰ বিশ্ব চেম্পিয়ন য়ামাগুচিক ২১-১১ গেমত পৰাস্ত কৰে। ইপিনে প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছত স্বাত্বিকছাইৰাজ ৰণকিৰেড্ডী আৰু চিৰাগ চেট্টীৰ যুটী কালি কোৱাৰ্টাৰ ফাইনেলত ইন্দোনেছিয়াৰ যুটী ফাজাৰ আলফিয়ান আৰু মহম্মদ ফিক্ৰিৰ হাতত ১০-২১, ২১-২৩ গেমত পৰাস্ত হোৱাত প্ৰতিযোগিতাৰ পৰা বাহিৰ হয়।

০০০০০০

এ ডি আৰ ই ৰ জৰিয়তে নিৰ্বাচিত চতুৰ্থ বৰ্গৰ ৪ হাজাৰ ৩৬৯ গৰাকী প্ৰাৰ্থীক মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি খানাপাৰাৰ জ্যোতি বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত নিযুক্তি পত্ৰ প্ৰদান কৰে। **অসমীয়া প্ৰতিদিন**, **দ্য চেণ্টিনেল** কাকতৰ লগতে আন আন কাকতসমূহে এই বাতৰিক প্ৰথম পৃষ্ঠাত আলেকচিত্ৰসহ প্ৰকাশ কৰিছে। একেটা বাতৰিৰে **নিয়মীয়া বাৰ্তা** কাকতৰ শিৰোনাম- দুৰ্নীতিক প্ৰশ্ৰয় নিদিলেহে প্ৰকৃত জয় আই অসম।

আমেৰিকাৰ বাণিজ্য সচিব হাৱাৰ্ড লুটনিকে প্ৰকাশ কৰিছে যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ব্যক্তিগতভাৱে আমেৰিকাৰ ৰাষ্ট্ৰপতি ডনাল্ড ট্ৰাম্পলৈ ফোন নকৰাৰ বাবেই ভাৰতৰ সৈতে আমেৰিকাৰ বাণিজ্য চুক্তিখন হোৱা নাই আৰু ভাৰতে আমেৰিকালৈ ৰপ্তানি কৰা সামগ্ৰীত আকাশলংঘী শুল্ক ভৰিব লগা হৈছে। এয়া **দৈনিক জনমভূমি** আৰু **দ্য টাইমছ অব ইণ্ডিয়া** কাকতৰ বাতৰি।

ভেনিজুৱেলা আক্ৰমণ সন্দৰ্ভত মাৰ্কিন ৰাষ্ট্ৰপতি ডনাল্ড ট্ৰাম্পে কোনো আন্তৰ্জাতিক আইন মানি নচলো বুলি মন্তব্য কৰাৰ বাতৰি **দৈনিক অগ্ৰদূত** কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্ব দিছে।

ভেনিজুৱেলা-ৰাছিয়া সংকটৰ মাজতে পেট্ৰল ডিজেলৰ দামবৃদ্ধিৰ প্ৰস্তুতি কেন্দ্ৰৰ শিৰোনামেৰে এটা বাতৰি আমাৰ **অসম কাকতে** প্ৰকাশ কৰিছে।

অসম মন্ত্ৰীসভাই জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায়িক প্ৰক্ৰিয়া সবল কৰাৰ বাবে বিশেষ চৰকাৰী অধিবক্তাৰ ৫ জনীয়া এটা দল নিযুক্তিত অনুমোদন জনোৱাৰ বাতৰি **দৈনিক অসম** কাকতৰ লগতে আন আন কাকতসমূহেও প্ৰথম পৃষ্ঠাত ভিন ভিন শিৰোনামেৰে গুৰুত্ব দিছে।

**দি আছাম ট্ৰিবিউন** কাকতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী অহা ১৭ জানুৱাৰীত দুদিনীয়া কাৰ্যসূচীৰে অসমত উপস্থিত হোৱাৰ বাতৰি প্ৰথম পৃষ্ঠাত স্থান দিছে।

**অসমীয়া খবৰ** কাকতে কাছাৰ জিলাৰ কাটিগড়া থানাৰ ছাপ্লাইগেট এলেকাত ৪ গৰাকী ৰোহীংগীয়া নাগৰিকক গ্ৰেপ্তাৰ কৰাৰ বাতৰি প্ৰকাশ কৰিছে।

এতিয়া আহক, পুনৰ বাতৰিৰ মাজলৈ উভতি যাও।

০০০০০০

ডিব্ৰুগড়ৰ চৌকিদিংগীৰ উদয়পুৰৰ নিবাসী জ্যেষ্ঠ নাগৰিক সুনন্দ বৰপূজাৰীৰ আজি পুৱতি নিশা দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮৮ বছৰ। ডিব্ৰুগড় ন্যায়িকা আদালতৰ পৰা নাজিৰ হিচাপে অৱসৰ গ্ৰহণ কৰা সুনন্দ বৰপূজাৰীয়ে ডিব্ৰুগড় জ্ঞানদায়িনী সভাৰ সম্পাদক আৰু সভাপতি হিচাপেও দায়িত্বভাৰ গ্ৰহণ কৰিছিল। বিভিন্ন সামাজিক আৰু ধৰ্মীয় অনুষ্ঠানৰ সৈতে জড়িত ব্যক্তিগৰাকীৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চল পুৱাৰ ভাগত ঘন কুঁৱলীয়ে আৱৰি ৰাখিব। পাছলৈ বতৰ আংশিকভাৱে ডাৱৰীয়া হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা

সৰ্বোচ্চ ২৪ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১১ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ ঠাই বিশেষে ঘন কুঁৱলী পৰাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

oooooo

**সমাপ্ত**